## প্ৰস্তাৱনা

অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ বিকাশ আৰু উন্নতিৰ হকে অসমৰ সাহিত্যানুৰাগী মহিলাসকলক সভ্যা হিচাপে লৈ অসমত এখন মহিলা সাহিত্য মঞ্চ গঠন কৰা হ'ল। এই অনুষ্ঠান অৰাজনৈতিক, অসাম্প্ৰদায়িক আৰু ধৰ্ম নিৰপেক্ষ সাহিত্য অনুষ্ঠান হ'ব।

## প্ৰথম ছেদ ঃ নাম

১) ১৯৭৪ চনৰ ২ নৱেম্বৰত বিধিমতে গঠন হোৱা এই অনুষ্ঠানৰ নাম 'সদৌ অসম লেখিকা সমাৰোহ সমিতি'। ইয়াৰ পিছত কেৱল 'সমাৰোহ সমিতি' বুলি উল্লেখ কৰা হ'ব।

## দ্বিতীয় ছেদ ঃ উদ্দেশ্য

২) অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে লেখিকা আৰু সাহিত্যপ্ৰেমী মহিলাসকলক উদগনি দিয়াই এই অনুষ্ঠানৰ প্ৰধান উদ্দেশ্য। এই উদ্দেশ্যে তলত দিয়ামতে কাৰ্য কৰিবলৈ সমিতি যত্নপৰ হ'ব।

ক) অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ।

খ) 'লেখিকা' নামৰ এখন মুখপত্ৰ প্ৰকাশ।

গ) উপযুক্ত বিবেচিত লেখিকাৰ গ্ৰন্থৰ প্ৰকাশ।

ঘ) উপযুক্ত গ্ৰন্থৰ প্ৰকাশৰ বাবে সামৰ্থ্যহীন লেখিকাক সাহায্য দান আৰু উপযুক্ত বিবেচিত গ্ৰন্থৰ লেখিকাক বঁটা প্ৰদান।

ঙ) সঙ্গীত, নাটক আৰু ললিত কলাৰ উন্নতিসূচক কাৰ্যৰ বিধান কৰা।

চ) পুৰণি শিল্পকলাৰ চৰ্চা আৰু প্ৰচাৰ কৰা।

ছ) সাহিত্য আৰু সঙ্গীতৰ উন্নতিৰ অৰ্থে অন্যান্য কাৰ্য কৰা।

জ) ন-লেখিকাক সাহিত্য সৃষ্টিৰ বাবে উদ্‌গনি দিয়া।

ঝ) অসমীয়া সংস্কৃতিলৈ বিশেষ বৰঙণি যোগোৱা শিল্পীলৈ শিল্পীবঁটা প্ৰদান।

৩) এই অনুষ্ঠানত কোনো দলগত, ৰাজনৈতিক আৰু সাম্প্ৰদায়িক আলোচনাৰ পৰা বিৰত থকাটো বাধ্যতামূলক।

## তৃতীয় ছেদ ঃ গঠন আৰু সভ্য

৪) এই অনুষ্ঠানত মূল সমিতি, জিলা সমিতি আৰু শাখা সমিতি থাকিব।

৫) এই অনুষ্ঠানৰ তিনি শ্ৰেণী সভ্যা থাকিব।

ক) সাধাৰণ সভ্যা খ) আজীৱন সভ্যা

গ) বিশেষ সভ্যা লগতে আৰু দুই শ্ৰেণী সভ্য/সভ্যা থাকিব।

ঘ) পৃষ্ঠপোষক সভ্য/সভ্যা ঙ) হিতৈষী সভ্য/সভ্যা

৬) অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ অনুৰাগী ওঠৰ বছৰৰ ওপৰৰ ইচ্ছুক সকলো মহিলাই শাখাৰ যোগেদি এই অনুষ্ঠানৰ সভ্যা হ'ব পাৰিব।

৭) ভৰ্তি মাচুল ৫০ (পঞ্চাশ) টকা আৰু বছৰেকীয়া বৰঙণি ১০০ (এশ) টকা দি শাখা সমিতিৰ যোগেদি মূল সমিতিৰ সভ্যা হ'ব পাৰিব। যি ঠাইত শাখা সমিতি নাই, সেই ঠাইৰ মহিলাই পোনপটীয়াকৈ মূল সমিতিলৈ আৱেদন কৰিলে সভ্যা হ'ব পাৰিব।

৮) একেৰাহে দুবছৰ বৰঙণি নিদিয়া সভ্যাৰ নাম তালিকাৰ পৰা বাতিল কৰা হ'ব।

৯) ভৰ্তি মাচুল পঞ্চাশ আৰু অনূ্যন পাঁচশ টকা দি নিৰ্দিষ্ট প্ৰ-পত্ৰ (ওপৰঞ্চি-খ) আৱেদন কৰিলে কাৰ্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে আজীৱন সভ্যা হ'ব পাৰিব।

ক) সদৌ অসম লেখিকা সমাৰোহ সমিতিলৈ সদিচ্ছা থকা আৰু অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা থকা পুৰুষ-মহিলাই ৫০০১/-টকা আৰু ৩০০১/-টকা দি ক্ৰমে পৃষ্ঠপোষক, হিতৈষী সদস্য/সদস্যা হ'ব পাৰিব।

১০) তলত উল্লেখ কৰা সকল বিশেষ সভ্যাৰূপে পৰিগণিত হ'ব—

ক) শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আৰু প্ৰতিষ্ঠাপক সম্পাদিকা।

খ) কেন্দ্ৰীয় প্ৰতিষ্ঠাপক সভানেত্ৰী আৰু প্ৰতিষ্ঠাপক সম্পাদিকা।

গ) কেন্দ্ৰীয় প্ৰাক্তন সভানেত্ৰীসকল আৰু প্ৰাক্তন প্ৰধান সম্পাদিকাসকল।

১১) নাকচ কৰা হ'ল।

## চতুৰ্থ ছেদ ঃ মূল সমিতি

১২) বিধিমতে হোৱা সাধাৰণ সভ্যাৰে মূল সমিতি গঠন হ'ব। (মূল সমিতি)

১৩) প্ৰতি দুবছৰৰ ব্যৱধানত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অধিৱেশন বহিব।

১৪) বছৰত অন্ততঃ দুবাৰ সাধাৰণ সভা আহ্বান কৰিব।

১৫) সাধাৰণ সভা আহ্বান কৰিবলৈ প্ৰধান সম্পাদিকাই অন্ততঃ বিশ দিনৰ আগতে জাননী দিব লাগিব।

১৬) সাধাৰণ সমিতিয়ে তলত উল্লেখ কৰা বিষয়সমূহ মীমাংসা কৰিব।

ক) বছৰৰ আয়-ব্যয়ৰ হিচাপ দাখিল।

খ) হিচাপ পৰীক্ষক (চি. এ.)ৰ দ্বাৰা পৰীক্ষা কৰা আয়-ব্যয়ৰ হিচাপত অনুমোদন আৰু নতুন বছৰৰ বাবে বাজেট অনুমোদন।

গ) নতুন বছৰৰ বাবে নতুন আঁচনি প্ৰস্তুত কৰি কাৰ্যপন্থা নিৰ্ণয় কৰিব।

১৭) সাধাৰণ সদস্যাৰ অন্ততঃ ৩০ গৰাকীৰে শাখা সমিতি গঠন হ'ব। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে অৱস্থা বুজি ত্ৰিশগৰাকীতকৈ কম সভ্যাৰেও শাখা সমিতি গঠন কৰিবলৈ অনুমতি দিব পাৰিব। (শাখা-সমিতি)

১৮) অসমৰ বাহিৰত আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেন্দ্ৰীয় সমিতিৰ অনুমোদন

ক্ৰমে শাখা সমিতি গঠন কৰিব পাৰিব।

## পঞ্চম ছেদ ঃ কাৰ্যনিৰ্বাহক সমিতি

১৯) সমিতিৰ যাৱতীয় কাৰ্য সম্পাদন কৰিবৰ বাবে এখন কাৰ্যনিৰ্বাহক সমিতি থাকিব।

২০) নিয়মানুসাৰে বিষয় বাচনি সভাত নিৰ্বাচিত সদস্যাসকলৰে সৈতে কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব।

ক) সভানেত্ৰী, কাৰ্যকৰী সভানেত্ৰী আৰু প্ৰধান সম্পাদিকা নিৰ্বাচনৰ কাৰণে মনোনীত ৫ (পাঁচ) গৰাকীৰ এখন পেনেল গঠন কৰা হ'ব।

খ) সভানেত্ৰী আৰু প্ৰধান সম্পাদিকা একেখন জিলাৰে হ'ব নোৱাৰিব।

২১) কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল দুবছৰীয়া হ'ব।

২২) কাৰ্যনিৰ্বাহক সমিতিৰ থুল হ'বলৈ সদস্যাৰ মুঠ সংখ্যাৰ ১/৩ অংশ সদস্যা উপস্থিত থাকিব লাগিব।

২৩) সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয় তেজপুৰত থাকিব।

ক) কেন্দ্ৰীয় কাৰ্যালয় তেজপুৰত থকাৰ উপৰি গুৱাহাটী আৰু যোৰহাটত কেন্দ্ৰীয় কাৰ্যালয়ৰ শাখা থাকিব।

খ) অসমৰ তিনিখন বা চাৰিখন ওচৰা-উচৰি জিলাক সামৰি একোটা আঞ্চলিক কাৰ্যালয় গঠন হ'ব।

২৪) তলত দিয়া মতে ৬৫ গৰাকী সদস্যাৰে কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব।

| | | | |
|---|---|---|---|
| ক) প্ৰতিষ্ঠাপক সভানেত্ৰী | ১ | জ) সহকাৰী সম্পাদিকা | ৮ |
| খ) সভানেত্ৰী | ১ | ঝ) পত্ৰিকা সম্পাদিকা | ১ |
| গ) কাৰ্যকৰী সভানেত্ৰী | ২ | ঞ) ধনভঁৰালী | ১ |
| ঘ) উপ-সভানেত্ৰী | ১০ | ট) প্ৰচাৰ সম্পাদিকা | ৪ |
| ঙ) প্ৰধান সম্পাদিকা | ১ | ঠ) প্ৰকাশন সচিব | ১ |
| চ) সম্পাদিকা | ১ | ড) কাৰ্যালয় সচিব | ১ |
| ছ) যুটীয়া সম্পাদিকা | ২ | ঢ) সদস্যা | ৩২ |

২৫) ক)ইয়াৰ বাহিৰেও পাঁচগৰাকী মনোনীত সদস্যা থাকিব পাৰিব।

খ) পাঁচগৰাকী আমন্ত্রিত সদস্যা থাকিব পাৰিব।

গ) ৰাজ্যৰ বাহিৰৰ শাখাসমূহৰ ৰাজ্য অনুসৰি ১ (এক) গৰাকীকৈ সদস্যা লোৱা হ'ব।

২৬) জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্রী আৰু সম্পাদিকাসকলক পদেন সদস্যা হিচাপে ৰখা হ'ব। কিন্তু তেওঁলোকৰ ভোটাধিকাৰ নাথাকিব।

২৭) কেন্দ্রীয় কার্যালয় তেজপুৰত হোৱা হেতুকে সেই ঠাইৰ পৰা ধনভঁৰালীও মনোনীত হ'ব।

ক) কেন্দ্রীয় কার্যালয় তেজপুৰত হোৱা বাবে তেজপুৰৰ পৰা নির্বাচিত হোৱা কার্যনির্বাহক সভাৰ সদস্যা বা বিষয়ববীয়াৰ ভিতৰৰ অর্হতাসম্পন্ন এগৰাকীক কার্যালয় সচিবৰ দায়িত্ব দিয়া হ'ব।

২৮) আলোচনী 'লেখিকা'ৰ সম্পাদনা সমিতি কার্যনির্বাহক সমিতিয়ে মনোনীত কৰি দিব। সমিতিৰ সভানেত্রী, প্রধান সম্পাদিকা আৰু পত্রিকা সম্পাদিকা সমন্বিতে মুঠ এঘাৰগৰাকী সদস্যাৰে আলোচনী উপ-সমিতি হ'ব।

ক) এগৰাকী অর্হতাসম্পন্ন, ভাষা-সাহিত্যৰ জ্ঞান থকা সম্পাদিকাৰ সম্পাদনাত দ্বি-বার্ষিক অধিৱেশনতে এখন 'লেখিকা' প্রকাশ পাব।

খ) প্রয়োজন সাপেক্ষে উপযুক্ত অর্হতাসম্পন্ন ভাষা-সাহিত্যৰ জ্ঞান থকা দুগৰাকী সদস্যাৰ সম্পাদনাত ২ বছৰত দুখন আলোচনী (মুখপত্র 'লেখিকা') প্রকাশ হ'ব পাৰিব।

২৯) কার্যনির্বাহক সমিতিয়ে আৱশ্যকমতে পুথিভঁৰালী আৰু কার্য পৰিচালনাৰ বাবে অন্যান্য কর্মচাৰী বা বিষয়ববীয়া নিযুক্ত কৰিব পাৰিব। কিন্তু সমিতিৰ বেতনভোগী কোনো সভ্যা কার্যনির্বাহক সমিতিৰ সদস্যা হ'ব নোৱাৰিব।

৩০) লিখিতভাৱে গ্রহণযোগ্য কাৰণ নেদেখুৱাকৈ একেলেথাৰিয়ে তিনিখন বৈঠকত অনুপস্থিত থকা সদস্যাৰ নাম কার্যনির্বাহক সমিতিয়ে বাতিল কৰিব পাৰিব।

ক) জিলা সমিতিৰ সভানেত্রী আৰু সম্পাদিকাসকল যিহেতু মূল

সমিতিৰ পদেন সদস্য, তেওঁলোকক সমন্বয়ক (Liason officer)ৰ গভীৰ দায়িত্ব দিব লাগে।

খ) জিলা সমিতিৰ মূল বিষয়ববীয়াসকল কেন্দ্ৰীয় সমিতিৰ মূল বিষয়ববীয়া হ'ব নোৱাৰিব আৰু কোনো বিষয়ববীয়াই ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰিব নোৱাৰিব।

৩১) কোনো সদস্যা বা বিষয়ববীয়াৰ ঠাই খালী হ'লে কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱ মৰ্মে সেই ঠাই পূৰাই ল'ব পাৰিব।

ক) সমিতিৰ কোনো বিষয়ববীয়া ৰাজ্যৰ বাহিৰলৈ গ'লে লিখিতভাৱে সভানেত্ৰী আৰু সম্পাদিকাক জনাই যাব লাগিব।

৩২) কাৰ্যনিৰ্বাহক সমিতিয়ে সাধাৰণ সভ্যা আৰু শাখা সমিতি সদৌ অসম লেখিকা সমাৰোহ সমিতিত অন্তৰ্ভুক্ত কৰি ল'ব পাৰিব।

৩৩) কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যা আৰু কাৰ্যকাৰিকাসকলৰ কাৰ্যকাল দুবছৰীয়া হ'ব।

ক) সভানেত্ৰী, কাৰ্যকৰী সভানেত্ৰী আৰু প্ৰধান সম্পাদিকাৰ কাৰ্যকাল (দুবছৰীয়া) এটাহে হ'ব।

খ) উপ-সভানেত্ৰী আৰু সহকাৰী সম্পাদিকাসকলক নিৰ্বাচন কৰোঁতে অসমৰ গোটেইকেইটা দিশৰ সদস্য অন্তৰ্ভুক্ত হ'ব লাগিব। এফোগৰাকী উপ-সভানেত্ৰী বা সহকাৰী সম্পাদিকাই ওচৰ-চুবুৰীয়া জিলাৰো সাংগঠনিক দিশ আৰু অন্যান্য কাম-কাজৰ তত্ত্বাৱধান ল'ব লাগিব।

গ) প্ৰয়োজন সাপেক্ষে উপ-সভানেত্ৰী আৰু সহ-সম্পাদিকা দুটা কাৰ্যকালৰ বাবে থাকিব।

৩৪) প্ৰতি দুবছৰে বিষয় বাচনি সভাত কাৰ্যনিৰ্বাহক সমিতি গঠিত হ'ব। পুৰণি কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যাসকলকো পুনৰ নিৰ্বাচন কৰিব পাৰিব।

ক) কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যা হোৱাৰ আগতে শাখা সমিতি আৰু জিলা সমিতিৰ সমিতিৰ কাৰ্যনিৰ্বাহকৰ কমেও দুটা দুটা কাৰ্যকালৰ সদস্যা হ'ব লাগিব।

খ) যিকোনো সভা, বিশেষকৈ বিষয় বাচনি সভাত কোনো সদস্যাই উচ্চ- বাচ্য কৰা বা উচ্ছৃঙ্খল আচৰণ কৰাটো অসংসদীয় বুলি বিবেচিত হ'ব আৰু সভাৰ নিয়ম ভংগকাৰী হিচাপে অনুশাসনমূলক ব্যৱস্থা লোৱাৰ প্ৰয়োজন বুলি গণ্য কৰা হ'ব।

৩৫) কাৰ্যনিৰ্বাহক সমিতি দুবছৰত অন্ততঃ পাঁচখন বহিব।

৩৬) কাৰ্যনিৰ্বাহক সমিতি আহ্বান কৰিবলৈ প্ৰধান সম্পাদিকাই অন্ততঃ পোন্ধৰ দিনৰ আগতে জাননী দিব। কোনো বিশেষ কাৰণত কাৰ্যনিৰ্বাহক সমিতি জৰুৰীভাৱে বহিব লগা হ'লে প্ৰধান সম্পাদিকাই তিনিদিনৰ আগতে জাননী দিলেও বহিব পাৰিব।

৩৭) কাৰ্যনিৰ্বাহক সমিতিৰ ১/৩অংশ সদস্যাই উপযুক্ত কাৰণ দৰ্শাই পোন্ধৰ দিনৰ সময় দি কাৰ্যনিৰ্বাহক সমিতি বহুৱাবৰ বাবে সভানেত্ৰীক প্ৰয়োজন-পত্ৰ দিলে প্ৰধান সম্পাদিকাই কাৰ্যনিৰ্বাহক সমিতি বহুৱাব লাগিব। নবহুৱালে প্ৰয়োজন পত্ৰ দিয়া সকলে সভানেত্ৰী, প্ৰধান সম্পাদিকা আৰু সদস্যাসকলক কমেও দহদিনৰ আগতে জাননী দি কাৰ্যনিৰ্বাহক সমিতি বহুৱাব পাৰিব।

৩৮) বিশেষ অৱস্থাৰ উদ্ভৱ হ'লে সভানেত্ৰীয়ে দহদিনৰ আগতে জাননী দি কাৰ্যনিৰ্বাহক সমিতি বহুৱাব পাৰিব।

৩৯) অনুষ্ঠানৰ সভানেত্ৰীয়ে কাৰ্যনিৰ্বাহক সমিতিত সভানেত্ৰিত্ব কৰিব। সভানেত্ৰীৰ অনুপস্থিতিত কাৰ্যকৰী সভানেত্ৰী বা উপ-সভানেত্ৰীয়ে সভানেত্ৰিত্ব কৰিব। কিবা কাৰণবশতঃ কাৰ্যকৰী সভানেত্ৰী আৰু উপ-সভানেত্ৰী অনুপস্থিত থাকিলে কাৰ্যনিৰ্বাহক সমিতিৰ যিকোনো এগৰাকী জ্যেষ্ঠা সভ্যাই সভানেত্ৰিত্ব কৰিব পাৰিব।

৪০) তিনিৰ পৰা সাতগৰাকী সভ্যাৰে এখন উপদেষ্টা সমিতি থাকিব। উপদেষ্টাসকল বিষয়বাচনি সভাত মনোনীত হ'ব।

৪১) উপদেষ্টাসকল কাৰ্যনিৰ্বাহক সমিতিৰ পদেন সদস্যা হ'ব কিন্তু ভোটাধিকাৰ নাথাকিব।

৪২) কাৰ্যনিৰ্বাহক সমিতিয়ে বছৰেকীয়া কামৰ প্ৰতিবেদন প্ৰস্তুত কৰি সাধাৰণ

সমিতিত দাখিল কৰিব লাগিব।

৪৩) প্ৰধান সম্পাদিকাই বছৰৰ আয়-ব্যয়ৰ হিচাপ সাধাৰণ সমিতিত দাখিল কৰাৰ আগতে হিচাপ পৰীক্ষক (C.A)ৰ দ্বাৰা হিচাপ পৰীক্ষা কৰাই কাৰ্যনিৰ্বাহক সমিতিত দখিল কৰিব লাগিব।

৪৪) কাৰ্যনিৰ্বাহক সমিতিয়ে নতুন বাজেট প্ৰস্তুত কৰি সাধাৰণ সমিতিত দাখিল কৰি অনুমোদন ল'ব লাগিব।

৪৫) সমিতিৰ কাম-কাজ সুচাৰুৰূপে চলাবৰ বাবে কাৰ্যনিৰ্বাহক সমিতিয়ে কৰ্ণধাৰ সমিতি গঠন কৰি দিব পাৰিব।

ক) নাকচ কৰা হ'ল।

খ) কৰ্ণধাৰ সমিতিত তলত দিয়া সদস্যাসকল থাকিব—
সভানেত্ৰী, কাৰ্যকৰী সভানেত্ৰী, ধনভঁৰালী, প্ৰধান সম্পাদিকা আৰু ১১গৰাকী সদস্যা।

গ) তাৎক্ষণিকভাৱে গ্ৰহণ কৰিব লগা সিদ্ধান্ত কৰ্ণধাৰ সমিতিয়ে ল'ব পাৰিব। কিন্তু পৰৱৰ্তী কাৰ্যনিৰ্বাহকত তেনে সিদ্ধান্ত অনুমোদন কৰাই ল'ব লাগিব।

ঙ) কৰ্ণধাৰ সমিতিয়ে বঁটা প্ৰদান আৰু গৃহনিৰ্মাণৰ বাবে এৰোখন সমিতি গঠন কৰি দিব।

৪৬) কোনো সভ্যাই অনুষ্ঠানৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰিলে, অনুষ্ঠানৰ নীতি-নিয়ম ভঙ্গ কৰিলে নাইবা অনুষ্ঠানৰ মৰ্যাদা হানিকৰ কাৰ্যত লিপ্ত থকা বুলি প্ৰমাণিত হ'লে, তেনে সভ্যাৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা ল'বলৈ আৰু অনুষ্ঠানৰ পৰা বহিষ্কাৰ কৰিবলৈ কাৰ্যনিৰ্বাহক সমিতিৰ ক্ষমতা থাকিব।

৪৭) সভানেত্ৰী মুখ্য কাৰ্যকত্ৰী হ'ব আৰু তেওঁৰ ওপৰত সাধাৰণভাৱে সকলো কামৰ দায়িত্ব থাকিব।

ক) সমিতিৰ তৃণমূল পৰ্যায়ৰ পৰা সাংগঠনিক সকলো দিশতে গভীৰ জ্ঞান থকা আৰু সমিতিৰ তৃণমূল পৰ্যায়ৰ পৰা বহু বছৰ কাম কৰা অভিজ্ঞতাসম্পন্ন লগতে ভাষা-সাহিত্যত দখলেৰে শিক্ষাগত অৰ্হতাসম্পন্ন জ্যেষ্ঠা সদস্যাক সভানেত্ৰীৰূপে নিৰ্বাচিত কৰা হ'ব।

খ) সভানেত্ৰী আৰু কাৰ্যকৰী সভানেত্ৰীৰ শিক্ষাগত অৰ্হতা স্নাতকোত্তৰ বা সমপৰ্যায়ৰ ডিগ্ৰীধাৰী হোৱাৰ লগতে ভাষা-সাহিত্যৰ জ্ঞান থকা হ'ব লাগিব।

গ) সভানেত্ৰীৰ বয়স নিম্নতম তেষষ্ঠি (৬৩) বছৰৰ উৰ্দ্ধৰ হ'ব লাগিব। কাৰ্যকৰী সভানেত্ৰীৰ বয়স নিম্নতম ষাঠি (৬০) বছৰৰ উৰ্দ্ধৰ হ'ব লাগিব।

ঘ) তেওঁলোকৰ স্বৰচিত প্ৰকাশিত গ্ৰন্থ কমেও আঠখন বা ততোধিক হ'ব লাগিব।

৪৮) সভানেত্ৰীৰ যিকোনো উপ-সমিতিৰ বৈঠকত উপস্থিত থকাৰ অধিকাৰ থাকিব। প্ৰতি দুবছৰত এখনকৈ আজীৱন সদস্যাৰ সভা, শাখাৰ সভানেত্ৰী-সম্পাদিকাৰ সভা, কবি সন্মিলন, সাংস্কৃতিক সন্মিলন আদি জিলা বা শাখাৰ উদ্যোগত পাতিব লাগিব।

৪৯) নিয়মাৱলীৰ কোনো নিয়মৰ অপব্যৱহাৰ হোৱা দেখিলে সভানেত্ৰীয়ে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

৫০) প্ৰধান সম্পাদিকাৰ যোগ্যতা ৪৭ (ক) দফাত থকা সভানেত্ৰীৰ যোগ্যতাৰ দৰে একেই থাকিব।

ক) সভানেত্ৰী/প্ৰধান সম্পাদিকা সকলো উপ-সমিতিৰে পদেন সদস্যা হ'ব।

খ) প্ৰধান সম্পাদিকা শিক্ষাগত অৰ্হতা কমেও স্নাতক বা সমপৰ্যায়ৰ হ'ব লাগিব, লগতে ভাষা-সাহিত্যত জ্ঞান থকা হ'ব লাগিব।

গ) সাংগঠনিক দক্ষতা থকাৰ লগতে কৰ্মদক্ষতা থাকিব লাগিব।

ঘ) তেওঁৰ স্বৰচিত গ্ৰন্থ কমেও পাঁচ বা ততোধিক থাকিব লাগিব আৰু বয়স ন্যূনতম পঞ্চাছ বছৰ হ'ব লাগিব।

৫১) প্ৰধান সম্পাদিকাই কাৰ্যনিৰ্বাহক সমিতিৰ সম্পাদিকাস্বৰূপে সিদ্ধান্তসমূহ কাৰ্যত পৰিণত কৰাৰ ব্যৱস্থা ল'ব।

ক) আনুষ্ঠানিক সকলো কামৰ যোগাযোগ প্ৰধান সম্পাদিকাৰ লগত কৰিব লাগিব।

৫২) প্ৰধান সম্পাদিকাই অনুষ্ঠানৰ হৈ চুক্তি আদিত স্বাক্ষৰ কৰিব আৰু মোকৰ্দমা আদি পৰিচালনাৰ লগতে সমিতিৰ প্ৰতিনিধিত্ব কৰিব।

৫৩) অনুষ্ঠানৰ যাৱতীয় হিচাপ পৰীক্ষা কৰিবৰ বাবে কাৰ্যনিৰ্বাহক সমিতিয়ে দুবছৰৰ বাবে এজন আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিযুক্ত কৰিব।

৫৪) হিচাপ পৰীক্ষকগৰাকী যোগ্যতাসম্পন্ন (চি এ) আৰু অনুষ্ঠানৰ বাহিৰৰ লোক হ'ব লাগিব।

৫৫) সভানেত্ৰী আৰু প্ৰধান সম্পাদিকাৰ বাহিৰে আন কোনো সভ্যাই অনুষ্ঠানৰ কামত কোনো লিখিত বা মৌখিক বিবৃতি দিব নোৱাৰিব।

৫৬) কোনো সভ্যাই পদত্যাগ কৰিব খুজিলে সভানেত্ৰীলৈ পদত্যাগ পত্ৰ দিব। পদত্যাগ পত্ৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰিব। কিন্তু বিশেষ পৰিস্থিতিত সভানেত্ৰীয়ে গ্ৰহণ কৰিব পাৰিব। কিন্তু কাৰ্যনিৰ্বাহক সমিতিৰ পৰৱৰ্তী বৈঠকত সেই পত্ৰ গৃহীত হ'ব লাগিব।

৫৭) নাকচ কৰা হ'ল।

## ষষ্ঠ ছেদ ঃ পুঁজি সংগ্ৰহ

৫৮) তলত দিয়া নিয়মেৰে এই অনুষ্ঠানে পুঁজি সংগ্ৰহ কৰিব পাৰিব—

ক) সভ্যা বৰঙণিৰ দ্বাৰা,

খ) দানবৰঙণিৰ দ্বাৰা,

গ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা পোৱা অনুদানৰ দ্বাৰা,

ঘ) উন্নয়নমূলক অনুষ্ঠানৰ অনুদানৰ পৰা,

ঙ) প্ৰকাশনৰ পৰা সংগৃহীত পুঁজি পৰৱৰ্তী প্ৰকাশনত অনুমোদন সাপেক্ষে ব্যয় হ'ব।

চ) মূল সমিতিৰ প্ৰতিগৰাকী কাৰ্যকৰী সদস্যা আৰু বিষয়ববীয়াই সমিতিৰ উত্তৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈ দায়বদ্ধ হৈ সভ্যভৰ্তিকৰণ অভিযান, আজীৱন সভ্যা, হিতৈষী আৰু পৰমহিতৈষী সভ্য আদি ভৰ্তি কৰি পুঁজি সংগ্ৰহ কৰিব লাগিব।

ছ) মূল সমিতিৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্যাসকলে মাহে

পঞ্চাশ টকা জমা দিয়া পূর্বৰ প্রস্তাৱ কার্যকৰী কৰিব লাগিব।

## সপ্তম ছেদ ঃ বিত্তীয় লেন-দেন

৫৯) অনুষ্ঠানৰ টকা কার্যনির্বাহক সমিতিৰ নির্দেশ অনুযায়ী তেজপুৰৰ কোনো বেঙ্কত জমা থাকিব।

ক) অর্থ সংগ্রহৰ শিতানসমূহ হ'ল—

১) প্রতি বছৰে দিয়া চৰকাৰী আৱণ্টন।

২) 'লেখিকা' মুখপত্রৰ বাবে সংগৃহীত ধন।

৩) আজীৱন সদস্যা, হিতৈষী সদস্যা, পৰম হিতৈষী সদস্যা, পৃষ্ঠপোষক সদস্য-সদস্যা, কার্যনির্বাহক সদস্যা আৰু বিষয়ববীয়াৰ বৰঙণি।

খ) সংগৃহীত ধনসমূহ তেজপুৰৰ বিভিন্ন বেংকৰ একাণ্টত জমা ৰখা হ'ব। লগতে আজীৱন সভ্যাৰ ন্যাস গঠন কৰি তাৰ সুতেৰে কর্ণধাৰ সমিতিৰ সদস্যাৰ যাতায়তীৰ ব্যৱস্থা কৰা হ'ব। সভানেত্রী আৰু প্রধান সম্পাদিকাৰ যাতায়াতৰ খৰচৰ বাবে সন্মানসূচক মাননি দিয়াৰ ব্যৱস্থা বাহাল থাকিব।

গ) আজীৱন সদস্যাৰ ন্যাসৰ পুঁজি কোষাধ্যক্ষা আৰু সভানেত্রী নাইবা কোষাধ্যক্ষা আৰু প্রধান সম্পাদিকাৰ স্বাক্ষৰত লেন-দেন হ'ব।

৬০) ধনভঁৰালী আৰু প্রধান সম্পাদিকা নাইবা ধনভঁৰালী আৰু সভানেত্রীৰ যুটীয়া চহী সাপেক্ষে বেঙ্কৰ টকা লেন-দেন কৰিব পাৰিব।

৬১) অনুষ্ঠানৰ নামত মঞ্জুৰী, দান-বৰঙণি আদি গ্রহণ কৰিবলৈ আৰু অনুষ্ঠানৰ নামত বেঙ্কত টকা জমা ৰাখিবলৈ প্রধান সম্পাদিকাৰ ক্ষমতা থাকিব।

৬২) আৱশ্যকীয় খৰচৰ বাবে প্রধান সম্পাদিকাই নিজৰ হাতত দহহেজাৰ টকা পর্যন্ত ৰাখিব পাৰিব।

৬৩) মূল সমিতিয়ে অর্জন কৰা কোনো সম্পত্তিৰ ওপৰত শাখা সমিতিৰ অধিকাৰ নাথাকিব। কিন্তু কোনো শাখাৰ যদি অৱলুপ্তি ঘটে, সেই শাখাৰ সম্পত্তি মূল সমিতিৰ তত্ত্বাৱধানত থাকিব।

ক) সকলো বিত্তীয় লেন-দেন কর্ণধাৰ সমিতিত অনুমোদন কৰি

সভানেত্ৰীৰ অনুমোদন সাপেক্ষে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব।

খ) কেন্দ্ৰীয় কাৰ্যালয়ৰ এটা কোঠাৰ ভাড়া তেজপুৰ শাখাক দিয়াৰ বাহিৰে বাকীখিনি ভাড়াঘৰৰ টকা লেখিকা সমাৰোহ সমিতিৰ একাউন্টত থ'ব লাগিব।

গ) যিকোনো কেন্দ্ৰীয় সভাত নিমন্ত্ৰিত অতিথিসকলক কেন্দ্ৰই মাননি দিয়াৰ ব্যৱস্থা কৰিব। কিন্তু মূল দ্বিবাৰ্ষিক অধিৱেশনত অভ্যৰ্থনা সমিতিয়ে নিমন্ত্ৰিত অতিথিক মাননি দিয়াৰ ব্যৱস্থা কৰিব।

ঘ) ২০১৬-১৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰস্তাৱ অনুসাৰে চৰকাৰী অনুদানৰ সূত্ৰৰ ১০ শতাংশ টকা কেন্দ্ৰই সভা-সমিতিত খৰচ কৰিব পাৰিব।

৬৪) প্ৰধান সম্পাদিকাই তলত উল্লেখ কৰা নথি-পত্ৰবিলাক ৰাখিব—

ক) কাৰ্যবিৱৰণী বহী
খ) কেছ বহী
গ) দৰমহা আদি দিয়া বহী
ঘ) ৰছিদৰ ফাইল
ঙ) বিলৰ ফাইল
চ) হিচাপ পৰীক্ষকৰ টোকাৰ ফাইল
ছ) খতিয়ান
জ) খুচুৰা খৰচৰ বহী
ঝ) বেঙ্কৰ পাছবুক
ঞ) বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী লেনদেনৰ কাগজ-পত্ৰ।

৬৫) সকলো খৰচ প্ৰধান সম্পাদিকাৰ হাতেদি হ'ব আৰু তেওঁ ৰছিদ দি টকা সংগ্ৰহ কৰিব।

৬৬) অনুষ্ঠানে পোৱা সকলো টকা আৰু সম্পত্তিৰ বাবে ছপা ৰছিদ দি টকা সংগ্ৰহ কৰিব।

## অষ্টম চ্ছেদ : আদৰণী সমিতি

৬৭) অধিৱেশন বহিবলগীয়া ঠাইত এখন আদৰণী সমিতি গঠন হ'ব।

৬৮) প্ৰতি দুবছৰৰ ফেব্ৰুৱাৰী মাহত বা অৱস্থা বুজি আন সময়তো অধিৱেশন অনুষ্ঠিত কৰিব পাৰিব।

৬৯) আদৰণী সমিতিৰ লগত আলোচনা কৰি কাৰ্যনিৰ্বাহক সমিতিয়ে

অধিৱেশনৰ দিন স্থিৰ কৰিব।

৭০) অধিৱেশনৰ সকলো খৰচ, সেই অধিৱেশনৰ সভানেত্ৰীৰ, আদৰণী সমিতিৰ সভানেত্ৰীৰ আৰু মুখ্য অতিথিসকলৰ অভিভাষণ ছপোৱাৰ খৰচ আদৰণী সমিতিয়ে বহন কৰিব।

৭১) অধিৱেশনৰ লগতে আদৰণী সমিতিয়ে সাহিত্য আলোচনা চক্ৰ, কবি সন্মিলন, বুৰঞ্জী সন্মিলন, সঙ্গীত সন্মিলন আদি পাতিব পাৰিব। কিন্তু কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শ ল'ব লাগিব।

৭২) অধিৱেশনৰ কাৰ্যক্ৰমণিকা আদৰণী সমিতিয়ে কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শ ক্ৰমে নিৰ্ধাৰণ কৰিব। প্ৰয়োজন হ'লে কাৰ্যনিৰ্বাহক সমিতিয়ে কাৰ্যক্ৰমণিকাৰ সালসলনি ঘটাব পাৰিব।

৭৩) আদৰণী সমিতি কাৰ্যনিৰ্বাহক সমিতিৰ পৰামৰ্শমতে অধিৱেশনৰ উদ্বোধক, সভানেত্ৰী, মুখ্য অতিথি আদি স্থিৰ কৰি সাহিত্য-সংস্কৃতিলৈ বিশেষ অৱদান থকা লোককহে মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰিব পাৰিব।

৭৪) অধিৱেশন নিমন্ত্ৰণৰ ছয়মাহৰ ভিতৰত অধিৱেশন বহিবলগীয়া ঠাইত নিয়মমতে জাননী দি এখন প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভা পাতিব আৰু তাতে আদৰণী সমিতি গঠন কৰি সভানেত্ৰী, সম্পাদিকা, ধনভঁৰালী আদি নিৰ্বাচিত বিষয়ববীয়াসকলক লৈ এখন কাৰ্যকৰী সমিতি গঠন কৰিব।

৭৫) আদৰণী সমিতিয়ে অধিৱেশনৰ বাজেট মূল সভাৰ কাৰ্যনিৰ্বাহক সমিতিত অনুমোদন কৰাই ল'ব লাগিব আৰু অধিৱেশন হৈ যোৱাৰ অন্ততঃ তিনিমাহৰ ভিতৰত অধিৱেশনৰ হিচাপ-পত্ৰ আদৰণী সমিতিত গৃহীত কৰাই তাৰ প্ৰতিলিপি প্ৰধান সম্পাদিকালৈ পঠাব লাগিব।

## নৱম ছেদ ঃ শাখা সমিতিৰ উপবিধি

৭৬) শাখা সমিতি গঠন কৰিবলৈ নিৰ্দিষ্ট প্ৰ-পত্ৰ (ওপৰঞ্চি-ক) যোগে মূল সমিতিলৈ আবেদন কৰিব লাগিব আৰু নিয়ম মানি চলাৰ প্ৰতিশ্ৰুতি দিব লাগিব।

৭৭) মূল সমিতিলৈ পঠাবলগীয়া সকলো টকা শাখাই প্ৰত্যেক অধিৱেশনৰ আগতে আদায় কৰি পঠাব লাগিব।

৭৮) প্ৰত্যেক শাখা সমিতি 'লেখিকা'ৰ গ্ৰাহক হ'ব লাগিব।

৭৯) প্ৰত্যেক সভ্যাৰ ভৰ্তিমাচুল পঞ্চাছ টকা আৰু বছৰেকীয়া বৰঙণি এশ টকাৰ আধা অংশ মূল সমিতিলৈ পঠাব লাগিব। কোনো সদস্যাই দুই বছৰৰ বৰঙণি নিদিলে শাখাই তেওঁৰ নাম কেন্দ্ৰলৈ প্ৰেৰণ কৰিব।

৮০) প্ৰত্যেক শাখা সমিতি নূন্যতম পোন্ধৰগৰাকী সভ্যাৰে গঠিত এখন কাৰ্যনিৰ্বাহক সমিতি থাকিব আৰু তাত নিৰ্বাচিত একোগৰাকী সভানেত্ৰী, সম্পাদিকা আৰু ধনভঁৰালী থাকিব।

ক) ভাষা সাহিত্যৰ জ্ঞান থকা স্নাতক ডিগ্ৰীধাৰী আৰু শাখাত বহু বছৰ কাম কৰা অভিজ্ঞ সদস্যাকহে শাখাৰ সভানেত্ৰী আৰু সম্পাদিকা পাতিব।

৮১) প্ৰতি দুবছৰৰ ব্যৱধানত শাখা সমিতিৰ অধিৱেশন বহিব। কেন্দ্ৰীয় সমিতিৰ মূল অধিৱেশনৰ আগতে শাখাসমূহত অধিৱেশন পাতিব।

৮২) কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল এটা (দুবছৰীয়া) হ'ব আৰু মূল সভাৰ নিয়মাৱলীয়েই শাখা সমিতিৰ আৰ্হি হ'ব। প্ৰয়োজন সাপেক্ষে শাখাৰ কাৰ্যকাল দুটা হ'ব পৰিব।

৮৩) ১/৩ অংশ সভ্যাৰে শাখাৰ কাৰ্যনিৰ্বাহক সমিতিৰ থূল হ'ব।

৮৪) শাখা সমিতি গঠন কৰিবলৈ ভৰ্তিমাচুল আৰু বৰঙণি সংগ্ৰহ কৰোঁতে শাখা সম্পাদিকাই সভ্যাৰ এখন তালিকা কৰি ল'ব আৰু মূল সমিতিলৈ টকা পঠাই ৰছিদ গ্ৰহণ কৰিব।

৮৫) শাখা সভাই নিজে সভ্যা ভৰ্তিৰ ৰছিদ বহী ছপাব পাৰিব।

৮৬) মূল সভাৰ অনুমোদন সাপেক্ষে শাখা সভাই মূল পঞ্জীয়নভুক্ত নম্বৰ ব্যৱহাৰ কৰিব পাৰিব।

৮৭) প্ৰতি শাখা সমিতিয়ে মূল কাৰ্যনিৰ্বাহক সমিতিলৈ তেওঁলোকৰ বছৰেকীয়া কাৰ্যবিৱৰণী আৰু আয়-ব্যয়ৰ হিচাপ পঠাব। মূল পঞ্জীয়নভুক্ত নম্বৰকে শাখাই ব্যৱহাৰ কৰিব।

৮৮) প্ৰতি শাখা সমিতিয়ে একোখন কাৰ্যবিৱৰণী বহী, কেছবুক, ৰছিদ আৰু বিলৰ ফাইল, হিচাপ পৰীক্ষকৰ টোকাৰ ফাইল, দৰমহা দিয়া বহী, খুচুৰা খৰচৰ বহী আৰু এখন সভ্যাৰ তালিকা ৰাখিব;

৮৯) সভাৰ উদ্দেশ্য সাধনত ব্যয় কৰিবৰ বাবে মূল সমিতিৰ বছৰেকীয়া বৰঙণিৰ আধাৰ উপৰি শাখা সমিতিয়ে আন প্ৰকাৰৰ দান-বৰঙণি সংগ্ৰহ কৰিব পাৰিব আৰু এনে আয়-ব্যয়ৰ বিতং হিচাপ ৰাখিব লাগিব।

৯০) শাখা সমিতিৰ সকলো টকা-পইচা ওচৰৰ কোনো বেঙ্ক বা ডাকঘৰত জমা ৰাখিব। সম্পাদিকা/সভানেত্ৰী আৰু ধন ভঁৰালীৰ যুটীয়া চহীত জমা টকা লেন-দেন কৰিব।

৯১) শাখা সমিতিয়ে আয়-ব্যয়ৰ আনুমানিক বাজেট প্ৰস্তুত কৰি কাৰ্যনিৰ্বাহকৰ অনুমোদন ল'ব পাৰিব।

৯২) প্ৰত্যেক শাখা সমিতিয়ে মাহে অন্ততঃ এখন সাহিত্য আলোচনাচক্ৰ পাতিব।

৯৩) কিতাপ, আলোচনী, মুখপত্ৰ, প্ৰাচীৰ পত্ৰিকা আদি প্ৰকাশ কৰিব।

৯৪) প্ৰতি শাখা সমিতিয়ে ন-পুৰণি হাতেলিখা আৰু ছপাপুথি সংগ্ৰহ কৰি এটি উপযুক্ত পুথিভঁৰাল স্থাপন কৰিব।

৯৫) নাকচ কৰা হ'ল।

৯৬) প্ৰতি শাখা সমিতিৰ সমূহ সদস্যাৰ প্ৰতি দহগৰাকীৰ মাজৰ পৰা এগৰাকী প্ৰতিনিধি লেখিকা সমাৰোহৰ যিকোনো প্ৰতিনিধিমূলক সভালৈ পঠাব লাগিব।

৯৭) ক) বছৰেকীয়া বৰঙণি আদায় নকৰা সভ্যাভৰ্তিৰ বহী সহ সভ্যাৰ তালিকা দাখিল নকৰা শাখা সমিতিয়ে বিষয় বাচনি আৰু কোনো প্ৰতিনিধিমূলক সভাত প্ৰতিনিধিত্ব কৰিব নোৱাৰিব।

খ) প্ৰতি শাখাই সভানেত্ৰী আৰু সম্পাদিকাৰ নাম ঠিকনা পিনক'ডৰে সৈতে প্ৰধান সম্পাদিকলৈ পঠাব। শাখাৰ অধিৱেশন হ'লে নৱনিৰ্বাচিত সভানেত্ৰী আৰু সম্পাদিকাৰ নাম আৰু ঠিকনা লগে লগেই প্ৰধান সম্পাদিকলৈ পঠাব।

## দশম চ্ছেদ ঃ জিলা সমিতি

৯৮) অসমৰ প্ৰতিখন প্ৰশাসনীয় জিলাৰ শাখা সমিতিসমূহ লগ লাগি একোখন জিলা সমিতি গঠন কৰিব আৰু সেই জিলাৰ নামেৰে সমিতিৰ নামকৰণ কৰা হ'ব। ন্যূনতম পাঁচখন শাখা হ'লেই জিলা সমিতি গঠন কৰিব পাৰিব।

৯৯) শাখা সমিতিৰ বাহিৰে অন্য অনুষ্ঠান জিলা সমিতিৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰিব।

১০০) শাখাসমূহক সক্ৰিয় কৰি ৰখা, সভ্যাৰ সংখ্যা বৃদ্ধি কৰা, প্ৰয়োজনীয় ঠাইত শাখা সমিতি গঠন কৰা, সাংগঠনিক প্ৰচাৰ কাৰ্য চলোৱা, শাখা সমিতিসমূহৰ মাজত সমন্বয় স্থাপন কৰা আৰু নিয়মাৱলীৰ লগত সংগতি ৰাখি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ হকে কাম কৰাই জিলা সমিতিৰ উদ্দেশ্য হ'ব।

১০১) প্ৰতি দুবছৰে জিলা সমিতিৰ অধিৱেশন বহিব আৰু এই অধিৱেশনৰ লগতে শাখা সমিতিৰ প্ৰতিনিধি সভা বহিব। এই সভাই কাম-কাজ চলাবৰ বাবে কমেও পোন্ধৰগৰাকী সভ্যাৰে এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰি দিব। ইয়াত এগৰাকী নিৰ্বাচিত সভানেত্ৰী, সম্পাদিকা আৰু ধনভঁৰালী থাকিব।

ক) ভাষা-সাহিত্যৰ জ্ঞান থকা স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰী, শাখা আৰু জিলা সমিতিত বহু বছৰ কাম কৰা অভিজ্ঞ সদস্যাকহে জিলা সমিতিৰ সভানেত্ৰী আৰু সম্পাদিকা পাতিব। তেওঁলোকৰ নিজা প্ৰকাশিত মৌলিক গ্ৰন্থ থাকিব লাগিব।

১০২) প্ৰতি বছৰে শাখা সমিতিসমূহে মূল সভালৈ দিবলগীয়া বৰঙণিৰ উপৰি জিলা সমিতিলৈ ১০০.০০ (এশ) টকাকৈ বৰঙণি পঠাব লাগিব।

১০৩) মূল সমিতিৰ সম্পাদিকাহে প্ৰধান সম্পাদিকা হিচাপে চিহ্নিত হ'ব। শাখা সমিতি আৰু জিলা সমিতিৰ সম্পাদিকা কেৱল 'সম্পাদিকা' স্বৰূপে চিহ্নিত হ'ব।

১০৪) প্রতি শাখাই প্রতিবছৰে মূল সমিতিলৈ বছৰেকীয়া বৰঙণি হিচাপে ৩০০ টকা দিব লাগিব। ইয়াৰ লগত নতুন কাৰ্যকালৰ কাৰ্যনিৰ্বাহক সমিতিৰ নাম তালিকা আৰু কাম-কাজৰ আঁচনি মূল সভালৈ পঠাব লাগিব।

১০৫) অনূ্ন ১/৩অংশ সভ্যাৰে কাৰ্যনিৰ্বাহক সমিতিৰ থূল হ'ব।

১০৬) জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল এটা হ'ব আৰু মূল সভাৰ নিয়মাৱলীয়েই জিলা সমিতিৰ আৰ্হি হ'ব।

১০৭) দলগত, ৰাজনৈতিক আৰু সাম্প্ৰদায়িক কোনো কাম জিলা সমিতিয়ে কৰিব নোৱাৰিব।

১০৮) জিলা সমিতিৰ সভানেত্ৰী আৰু সম্পাদিকাই সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বাৰ্ষিক অধিৱেশনৰ বিষয় বাচনি সভাত প্ৰতিনিধিত্ব কৰিব পাৰিব আৰু উক্ত সমিতিৰ পদেন সদস্যা হ'ব।

১০৯) শাখা সমিতিৰ বছৰেকীয়া বৰঙণি আৰু অন্যান্য দান-বৰঙণিৰে জিলা সমিতিৰ একোটা পুঁজি গঠন কৰিব পাৰিব। কিন্তু কিবা কাৰণে জিলা সমিতি ভাগি গ'লে সমিতিৰ পুঁজি আৰু সকলো সম্পত্তি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তত্বাৱধানলৈ আহিব।

১১০) জিলা সমিতিয়ে কাম-কাজ চলাবলৈ স্থানীয়ভাৱে কিছু বিধি প্ৰস্তুত কৰি ল'ব পাৰিব। কিন্তু মূল সমিতিৰ কাৰ্যনিৰ্বাহকে এনে বিধিৰ অনুমোদন জনাব লাগিব।

## একাদশ চ্ছেদ ঃ অনুষ্ঠান ভঙ্গ বা বন্ধ কৰা

১১১) যদি কেতিয়াবা এই অনুষ্ঠান বন্ধ হয় বা ভঙ্গ কৰিবলগীয়া হয়, ঋণ আদি পৰিশোধ কৰি যদি কিবা সম্পত্তি বাকী থাকে, তেন্তে সেই সম্পত্তি সভ্যাসকলে ভগাই ল'ব নোৱাৰিব। সেই সম্পত্তি ৰেজিষ্টাৰী আইন অনুসৰি একে উদ্দেশ্যৰে গঠিত আন কোনো অনুষ্ঠানক দিব পাৰিব। এই ক্ষেত্ৰত অনুষ্ঠানৰ মুঠ সংখ্যক সভ্যাৰ ৩/৫অংশ সভ্যাৰ সেই অনুষ্ঠানক সম্পত্তি দিয়াৰ সপক্ষে মতামত

থাকিব লাগিব। এই ক্ষেত্রত পঞ্জীয়ন আইনৰ (XXI of 1860) ১৩ আৰু ১৪ ধাৰা অনুসৰি ব্যৱস্থা লোৱা হ'ব।

## দ্বাদশ ছেদ ঃ নিয়মাৱলী সংশোধন

১১২) কোনো সদস্যাই নিয়মাৱলীৰ কোনো নিয়ম সংশোধন কৰিবলৈ বিচাৰিলে, তেওঁ কোন দফাৰ সংশোধন বিচাৰিছে আৰু কি কাৰণত সংশোধনৰ আৱশ্যক হৈছে, তাৰ কাৰণ দৰ্শাই সভানেত্ৰীৰ ওচৰত সংশোধন প্ৰস্তাৱ দাখিল কৰিব। সভানেত্ৰীয়ে সংশোধনী গ্ৰহণ কৰিলে প্ৰস্তাৱ আলোচনাৰ কাৰণে সাধাৰণ সমিতিলৈ পঠাব। সাধাৰণ সমিতিত মুঠ ভোটাধিকাৰ থকা সভ্যাৰ ২/৩ অংশই যদি সেই সংশোধনী প্ৰস্তাৱ গ্ৰহণ কৰে তেন্তে সেই সংশোধনী নিয়মাৱলীৰ অন্তৰ্ভুক্ত হ'ব।

১১৩) কাৰ্যনিৰ্বাহক সমিতিয়ে সংবিধানৰ কোনো দফাৰ সংশোধনী প্ৰস্তাৱ গ্ৰহণ কৰি সাধাৰণ সমিতিলৈ আলোচনা আৰু গ্ৰহণৰ বাবে পঠাব পাৰিব।

ক) প্ৰতি চাৰি বছৰৰ মূৰত প্ৰয়োজন হ'লে সংবিধান সংশোধন কৰিব পাৰিব। কৰ্ণধাৰ সমিতিত প্ৰস্তাৱ লৈ সংশোধন সমিতি গঠন কৰি পৰ্যায়ক্ৰমে সংশোধনৰ ব্যৱস্থা কৰিব লাগিব।

## ত্ৰয়োদশ ছেদ ঃ সমিতিৰ পতাকা আৰু গীত

১১৪) সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ পতাকাৰ জোখ ৩/২ জোখৰ, সমিতিৰ প্ৰতীক চিহ্নটো বগাৰ ওপৰত গাঢ় নীলা ৰঙৰ হ'ব। পতাকাখন পাটৰ কাপোৰৰ হ'ব।

ক) পুৱা ন বজাৰ আগতে পতাকা উত্তোলন কৰিব লাগিব আৰু সূৰ্যাস্তৰ লগে লগে পতাকা নমাব লাগিব।

১১৫) পতাকা উত্তোলন কৰোঁতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জননীৰ সন্তান জাগা' গীতটো পৰিৱেশন কৰিব।

ক) পতাকা উত্তোলনৰ গীত শেষ হোৱাৰ লগে লগে উত্তোলিকাই চমু ভাষণ দিব।

খ) সভাৰ বাৰ্ষিক অধিৱেশনস্থলীত উত্তোলিত পতাকা শেষৰ দিনাহে সূৰ্যাস্তৰ লগে লগে নমাব লাগিব।

১১৬) মুকলি সভাৰ আৰম্ভণী গীত মিত্ৰদেৱ মহন্তৰ 'চিৰ চেনেহী মোৰ ভাষা জননী'।

১১৭) সভাৰ সামৰণী গীত অসমৰ জাতীয় সঙ্গীত 'অ মোৰ আপোনাৰ দেশ'।

১১৮) মূল সভাৰ অধিৱেশনত সভানেত্ৰী, নহ'লে কাৰ্যকৰী সভানেত্ৰী, নহ'লে উপ-সভানেত্ৰী, নহ'লে প্ৰাক্তন সভানেত্ৰী নহ'লে, আদৰণী সমিতিৰ সভানেত্ৰী বা সমিতিৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব। আন সময়ত মূল সভাৰ সভানেত্ৰী, কাৰ্যকৰী সভানেত্ৰী, উপ-সভানেত্ৰী, প্ৰাক্তন সভানেত্ৰী বা সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব। জিলা বা শাখা সভাৰ অনুষ্ঠানত উপস্থিত থাকিলে সভানেত্ৰী বা উপ-সভানেত্ৰীয়ে পতাকা উত্তোলন কৰিব। আন সময়ত জিলা বা শাখা বা স্বীকৃত সভাৰ দ্বাৰা মনোনীত বিশিষ্ট ব্যক্তিয়ে পতাকা উত্তোলন কৰিব।

১১৯) কাৰ্যকালত সভানেত্ৰীৰ পৰলোক প্ৰাপ্তি ঘটিলে পাঁচদিন, কাৰ্যকৰী সভানেত্ৰী আৰু প্ৰধান সম্পাদিকাৰ বিয়োগত তিনিদিন, প্ৰাক্তন সভানেত্ৰী, প্ৰাক্তন কাৰ্যকৰী সভানেত্ৰী আৰু প্ৰাক্তন প্ৰধান সম্পাদিকাৰ পৰলোকত এদিন পতাকা অৰ্ধনমিতভাৱে উত্তোলন কৰি শোক প্ৰকাশ কৰিব। উক্ত ব্যক্তিসকলৰ দেহাৱসানৰ ক্ষেত্ৰত পতাকা দি শৱদেহত সন্মান প্ৰদৰ্শন কৰিব আৰু সেই পতাকা ঘূৰাই আনিব। প্ৰতিষ্ঠিত বৰেণ্য সাহিত্যিক, শিল্পী, সভাৰ অন্যান্য বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্যা, জিলা সভা আৰু শাখা সভাৰ সভানেত্ৰী আৰু সম্পাদিকাৰ

বিয়োগত সভাৰ পতাকা এদিনৰ বাবে অৰ্ধনমিত হ'ব।

১২০) মূল সভা, জিলা সভা, শাখা স্বীকৃত সভাৰ অধিৱেশন বা বিশেষ অনুষ্ঠানতহে পতাকা উত্তোলন কৰিব। স্মৃতিসভা আদিত পতাকা উত্তোলন কৰিব নোৱাৰিব। কিন্তু জন্ম জয়ন্তী বা যিকোনো জয়ন্তী অনুষ্ঠান আদিত পতাকা উত্তোলন কৰিব পাৰিব।

## চতুৰ্দশ ছেদ ঃ প্ৰকাশন সমিতি

১২১) ১৫ (পোন্ধৰ) গৰাকী ভাষাজ্ঞান থকা উপযুক্ত অৰ্হতাসম্পন্ন সদস্যাক লৈ প্ৰকাশন সমিতি গঠন হ'ব আৰু এগৰাকী প্ৰকাশন সচিব থাকিব। তেওঁ শিক্ষাগত অৰ্হতা কমেও স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব।

১২২) প্ৰকাশিত গ্ৰন্থসমূহত বিনিয়োগ কৰা ধনৰ হিচাপ দাখিল আৰু ৰাহি ধনৰ পুঁজি গঠন আৰু 'লেখিকা'কে মুখ্য কৰি গ্ৰন্থসমূহৰ ৰাহি ধনেৰে গঠন হোৱা পুঁজিৰ পৰা প্ৰয়োজন সাপেক্ষে প্ৰকাশিতব্য গ্ৰন্থৰ বাবে পুঁজি আবণ্টন কৰিব লাগিব।

১২৩) মুখপত্ৰ 'লেখিকা'ৰ বাবে বিজ্ঞাপনৰ দ্বাৰা সংগৃহীত ধন 'লেখিকা'ৰ প্ৰকাশত খৰচ কৰা হ'ব। সুকন্যা প্ৰকাশৰ ব্যৱস্থা কৰিব লাগিব।

## পঞ্চদশ ছেদ ঃ বিপনন

১২৪) প্ৰতি জিলাৰ পৰা একোগৰাকী সদস্যা লৈ এখন বিপনন সমিতি গঠন কৰা হ'ব। মূল সমিতিৰ সভানেত্ৰী আৰু প্ৰধান সম্পাদিকাৰ তত্বাৱধানত কাম-কাজ চলিব।

১২৫) মূল সমিতিৰ প্ৰকাশিত গ্ৰন্থসমূহ অন্ততঃ ৫ খনকৈ প্ৰতি শাখাই লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব। গ্ৰন্থসমূহ আৰু লেখিকাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হয়।

১২৬) ঠায়ে ঠায়ে হৈ থকা গ্ৰন্থমেলাসমূহত কেন্দ্ৰৰ সৈতে যোগাযোগ কৰি শাখাসমূহে বিপনি দি গ্ৰন্থসমূহ বিক্ৰীৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

১২৭) মূল সমিতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ ৩ খনকৈ ৰাজ্যিক পুথিভঁৰাল

(State Library) আৰু কেন্দ্ৰীয় পুথিভঁৰাল (National Library ত দিয়াৰ ব্যৱস্থা কৰিব।

১২৮) প্ৰতিখন জিলাতে বিপনন সমিতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ বিক্ৰীৰ ব্যৱস্থা গ্ৰহণ কৰিব।

১২৯) কাৰ্যকালৰ যিকোনো এটা সুবিধাজনক সময় আৰু স্থানত একোখন সাংস্কৃতিক অনুষ্ঠান কেন্দ্ৰীয়ভাৱে পতাৰ ব্যৱস্থা কৰিব লাগে।